Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



সপ্তম শ্ৰেণীৰ বাবে

অংকুৰণ

পাঠ - ১৫

গড়গাঁও

অংশ - ১

পুণ্যব্ৰত বৰদলৈ

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

আহোম ৰাজত্বকালৰ কেইবাখনো ৰাজধানীৰ ভিতৰত গড়গাঁওখন আছিল অন্যতম। স্বৰ্গদেউসকলে নিজৰ ৰাজ্যৰ ৰাজধানীখন বৰ আটোম-টোকাৰিকৈ সজাইছিল। গড়গাঁৱৰ অতীত কীর্তি লৈ ৰচিত এই কবিতাটিত আমি অতীতৰ গৌৰৱময় ঐতিহ্যৰ কথা জানিব পাৰিম। এই কবিতাটিত থকা স্বদেশ-প্রেমৰ ভাবধাৰা, বর্ণনাৰ কৌশল, ছন্দৰ প্রয়োগ আৰু ছবি ধর্মিতাই আমাক মুগ্ধ কৰে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

গড়গাঁও, গড়গাঁও, কথা শুনি তল যাওঁ,
বাট দেখি পিছলেযে পাৱ;
দিখৌৰ সোঁতত যোৱা, ভটীয়নী বল পোৱা
উভতিব খোজে মাৰ-নাও।
— ওচৰতে দেখি গড়গাঁও।





Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



ওলট-পালট্ দেশ, কথাৰে নহয় শেষ,
কটাৰীৰো ডাবে তাৰ কাটে;
বাঘ-গৰু হালে হালে, একে ঘাটে পানী খালে,
নগৰৰ দেও-লগা ঘাটে;
— দেও তাতে ফুৰে হাঠে-বাটে।



Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো




বিদেশীৰ চকু থিৰ, স্বদেশীৰ ওখ শিৰ,
দেও-লগা মানুহৰ দেশ;
উজুটিত ভাগে দাঁত, কোঢ়ালত হৰে মাত,
অহা-যোৱা নাই তাত শেষ;
— জনে জনে ভিন্ ভিন্ বেশ।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

সকলোৰে আছে কাম, নোহোৱাৰ নাই নাম,
কাপুৰুষে সদা পায় লাজ;
নাই দিন, নাই ৰাতি, নাই পানী, নাই মাটি,
আদেশ মাথোন হয় 'সাজ'
— ইচ্ছা যেনে স্বৰ্গমহাৰাজ।







Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

বিলত নগৰ হয়, নগৰত নৈ বয়,
ধোদে তাত বান্ধে ৰাজআলি;
কাৰেঙৰ দেও-ইটা, শিল যেন চটা চটা,
গাঁথে তাত হাঁহকণী ফালি,
— বনুৱাৰ নিছিগেই লালী।



Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

একে একে সকলোটি, বান্ধে গড়, খানে মাটি,
জাঁত জাঁত মাৰে বৰনাও;
ব'ঠা নাই, আছে হাত, দা নাই, আছে দাঁত,
এনে সেনা ৰাখে গড়গাঁও;
— সেই দেখি শুনি তল যাওঁ।



Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

বিনন্দচন্দ্ৰ বৰুৱা (১৯০১-১৯৯৪) :



'ধ্বনি কবি'ৰূপে খ্যাত বিনন্দচন্দ্ৰ বৰুৱাৰ জন্ম যোৰহাট জিলাৰ টীয়কত। তেখেতৰ কবিতা পুথিসমূহ হৈছে 'শংখধ্বনি', 'প্ৰতিধ্বনি' আৰু 'জয়ধ্বনি'। নাটক ৰচনাৰ ক্ষেত্ৰত তেখেতৰ অৱদান হ'ল 'পাৰ্থ-সাৰথি' আৰু 'শৰাইঘাট'।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

ইয়াৰ উপৰি তেখেতে শিশুসকলৰ উপযোগীকৈ 'মহাৰাজ নৰনাৰায়ণ' আৰু 'ৰাজস্থানৰ গল্প' নামৰ দুখন পুথি লিখি উলিয়াইছিল। জতুৱা ঠাঁচ, খণ্ডবাক্যৰ প্রয়োগ তেখেতৰ কবিতাৰ প্রধান বৈশিষ্ট্য।

Under CSR Support by ipca | Foundation

মূল্যায়ন

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



১। গড়গাঁও কবিতাটি কোনে ৰচনা কৰিছে ?

উত্তৰঃ কবি বিনন্দচন্দ্ৰ বৰুৱাই ৰচনা কৰিছে।

গড়গাঁও কবিতাটি কবি বিনন্দচন্দ্র বরুৱাই ৰচনা কৰিছে।

মূল্যায়ন



২। গড়গাঁও কবিতাটিৰ ৰচকজনক কি কবি বুলি জনা যায়?

উত্তৰঃ গড়গাঁও কবিতাটিৰ ৰচকজনক 'ধ্বনি কবি' বুলি জনা যায়।